NEWZ NOW

সংখ্যা ৩৪ | শুকুৰবাৰ, ২৭ নৱেম্বৰ ২০২৬ | অসমৰ ডিজিটেল বাতৰি কাকত

অনুসন্ধান

অৰুণোদয়ৰ প্ৰকৃত ব্যয় কিমান? ১৩,১২০ কোটি টকাৰ আঁচনি আৰু ধাৰৰ হিচাপ

অসমৰ সৰ্ববৃহৎ কল্যাণমূলক আঁচনি অৰুণোদয়ৰ ব্যয়, ঋণৰ অংশ আৰু সুতৰ বোজাৰ এক তথ্যভিত্তিক বিশ্লেষণ।



NewzNow ডেস্ক | ২৭ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:৪৯

২০২৬ চনৰ ১০ মাৰ্চত এদিনতে ৩,৬০০ কোটি টকা হস্তান্তৰ কৰিলে অসম চৰকাৰে। অৰুণোদয় আঁচনিৰ অধীনত প্ৰায় ৪০ লাখ মহিলাৰ বেংক একাউণ্টলৈ ৯,০০০ টকাকৈ প্ৰেৰণ কৰা হ'ল। এই ধনৰাশিৰ ভিতৰত আছিল চাৰিমাহৰ মাহিলী সাহায্য আৰু এককালীন বিহু বোনাছ।

প্ৰতিগৰাকী মহিলাই লাভ কৰা ৯,০০০ টকাৰ হিচাপটো আছিল এনেধৰণৰ - ১,২৫০ টকাকৈ চাৰিমাহৰ সাহায্য, অৰ্থাৎ মুঠ ৫,০০০ টকা; তাৰ সৈতে ৪,০০০ টকাৰ এককালীন বিহু বোনাছ। এই দুয়োটা মিলিয়েই প্ৰতিগৰাকী হিতাধিকাৰীয়ে লাভ কৰিছিল ৯,০০০ টকা।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6917

দেশ

সমষ্টি পুনৰ্নিৰ্ধাৰণ সংলগ্ন মহিলা সংৰক্ষণৰ নতুন বিধেয়কত কেন্দ্ৰীয় কেবিনেটৰ অনুমোদন



নতুন দিল্লী, ২৭ নৱেম্বৰ: সমষ্টি পুনৰ্নিৰ্ধাৰণৰ সৈতে জড়িত মহিলা সংৰক্ষণ বিধেয়কৰ নতুন খচৰাত কেন্দ্ৰীয় কেবিনেটে অনুমোদন জনাইছে।
পঢ়ক: https://newznow.in/news/6967

ৰাজনীতি

সমষ্টি পুনৰ্নিৰ্ধাৰণত পাছত অসমৰ লোকসভাৰ আসন বৃদ্ধি পাব ২১ খনলৈ ! দেশৰ অন্য কোনো ৰাজ্যৰ কিমান হ'ব এখন ?



গুৱাহাটী, ২৭ নৱেম্বৰঃ দেশৰ ৰাজনীতিত সমষ্টি পুনৰ্নিৰ্ধাৰণক লৈ নতুন চৰ্চাৰ সৃষ্টি হৈছে।
পঢ়ক: https://newznow.in/news/7031

ৰাজনীতি

সমষ্টি পুনৰ্নিৰ্ধাৰণক সমৰ্থন শাৰদ পাৱাৰৰ এনচিপিৰ, বিৰোধী মিত্ৰজোঁটত মতভেদ



মুম্বাই, ২৭ নৱেম্বৰ: লোকসভা সমষ্টি পুনৰ্নিৰ্ধাৰণ প্ৰক্ৰিয়াক লৈ বিৰোধী 'ইণ্ডিয়া' মিত্ৰজোঁটৰ মাজত মতভেদ স্পষ্ট হৈ পৰিছে।
পঢ়ক: https://newznow.in/news/7027

দেশ

পাকিস্তানলৈ সেনাৰ গতিবিধিৰ তথ্য প্ৰেৰণৰ অভিযোগত পঞ্জাৱত গ্ৰেপ্তাৰ বলজিৎ



পাঠানকোট: পঞ্জাৱৰ পাঠানকোটত ভাৰতীয় সেনা আৰু অৰ্ধসামৰিক বাহিনীৰ গতিবিধিৰ ওপৰত গোপনে চোৱাংচোৱাগিৰি চলোৱাৰ অভিযোগত এজন লোকক গ্ৰেপ্তাৰ কৰিছে আৰক্ষীয়ে।
পঢ়ক: https://newznow.in/news/7040

ভিতৰৰ পাতত

দেশ: বিপদ বাঢ়িল চিজেপিৰ তিনি নেতাৰ!লেকা...

ৰাজনীতি: ডাঃ হাবে টেৰণ আইনৰ উৰ্ধত নহয়: উপা...

দেশ: গুজৰাটত অস্ত্ৰসহ গ্ৰেপ্তাৰ কৰিমগঞ্...

ৰাজনীতি: আকৌ অনা হ'ব মহিলা সংৰক্ষণ-সমষ্টি প...

দেশ

বিপদ বাঢ়িল চিজেপিৰ তিনি নেতাৰ!লেকাম লগোৱাৰ লক্ষ্যৰে দীপকে-ৰাংকা-দাসৰ ৩ বিৰুদ্ধে লুকআউট চাৰ্কুলাৰ জাৰি

NewzNow ডেস্ক | ২৭ নৱেম্বৰ ২০২৬, পুৱা ১০:১৭



মুম্বাই, ২৭ নৱেম্বৰ: ককৰোচ জনতা পাৰ্টী চমুকৈ চিজেপিৰ তিনিগৰাকী শীৰ্ষ নেতাৰ বিৰুদ্ধে লুকআউট চাৰ্কুলাৰ জাৰি কৰিছে মুম্বাই আৰক্ষীয়ে। দলটোৰ সভাপতি অভিজিৎ দীপকে, সৌৰভ দাস আৰু আশুতোষ ৰাংকাৰ বিৰুদ্ধে আৰক্ষীয়ে এই পদক্ষেপ গ্ৰহণ কৰিছে। সংশ্লিষ্ট নেতাসকলে যাতে দেশ এৰি যাব নোৱাৰে, সেই উদ্দেশ্যে এই নিৰ্দেশনা জাৰি কৰা হৈছে।

আৰক্ষীৰ সূত্ৰ অনুসৰি, যোৱা ২ অক্টোবৰত গান্ধী জয়ন্তীৰ দিনা মুম্বাইত চিজেপিয়ে প্ৰশাসনৰ অনুমতি নোলোৱাকৈ এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰিছিল। এই ঘটনা সন্দৰ্ভত ৩ অক্টোবৰত আৰক্ষীয়ে এক গোচৰ ৰুজু কৰে। গোচৰটোত তিনি শীৰ্ষ নেতাৰ লগতে দলটোৰ প্ৰায় ৪০০বো অধিক কৰ্মীৰ নাম সন্নিৱিষ্ট কৰা হৈছে।

ৰুজু হোৱা গোচৰটোত ভাৰতীয় ন্যায় সংহিতাৰ ১৮৯ আৰু ২২৩ ধাৰাৰ লগতে মহাৰাষ্ট্ৰ আৰক্ষী আইনৰ ৩৭ আৰু ১৩৫ ধাৰা সন্নিৱিষ্ট কৰা হৈছে। এই ধাৰাসমূহ মূলতঃ বেআইনী সমাৱেশ, চৰকাৰী বিষয়াৰ বৈধ নিৰ্দেশ অমান্য কৰা আৰু আৰক্ষীৰ নিষেধাজ্ঞা উলংঘনৰ সৈতে জড়িত।

ইপিনে চিজেপি নেতা সৌৰভ দাসৰ বিৰুদ্ধে জাৰি কৰা লুকআউট চাৰ্কুলাৰৰ বিষয়টো ইতিমধ্যে দিল্লী উচ্চ ন্যায়ালয় পাইছে। যোৱা ২৩ নৱেম্বৰত ব্ৰিটেইনৰ এক অনুষ্ঠানত অংশ ল'বলৈ যোৱাৰ সময়ত দিল্লী বিমানবন্দৰত দাসক বিদেশ যাত্ৰাত বাধা প্ৰদান কৰা হৈছিল। ইয়াৰ পিছতে নেতাগৰাকীয়ে আদালতৰ দ্বাৰস্থ হয়। মহাৰাষ্ট্ৰ আৰক্ষীৰ অনুৰোধমৰ্মে এই জাননী জাৰি কৰা হৈছে বুলি কেন্দ্ৰীয় চৰকাৰৰ সংশ্লিষ্ট মন্ত্ৰালয়ে আদালতক জনায়।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6776

ৰাজনীতি

ডাঃ হাবে টেৰণ আইনৰ উৰ্ধত নহয়: উপাধ্যক্ষ বিতৰ্ক সন্দৰ্ভত অধ্যক্ষ ৰঞ্জিত দাস

NewzNow ডেস্ক | ২৭ নৱেম্বৰ ২০২৬, আবেলি ৪:১৫



২৭ নৱেম্বৰ, ২০২৬

অসম বিধানসভাৰ উপাধ্যক্ষ ডাঃ হাবে টেৰণক লৈ সৃষ্টি হোৱা বিতৰ্কৰ মাজতে প্ৰথমবাৰৰ বাবে মুখ খুলিছে বিধানসভাৰ অধ্যক্ষ ৰঞ্জিত দাসে। সমগ্ৰ বিষয়টোক সম্পূৰ্ণৰূপে আইনগত বিষয় বুলি অভিহিত কৰি অধ্যক্ষগৰাকীয়ে স্পষ্ট কৰি দিয়ে যে কোনো লোকেই আইনৰ উৰ্ধত নহয় আৰু অভিযোগ প্ৰমাণিত হ'লে আইন অনুসৰিয়েই ব্যৱস্থা লোৱা হ'ব।

সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত ডাঃ টেৰণৰ বিৰুদ্ধে উত্থাপিত অভিযোগ আৰু তেওঁৰ উপাধ্যক্ষ পদৰ ভৱিষ্যত সন্দৰ্ভত অধ্যক্ষ ৰঞ্জিত দাসে কয়, "আমি কোনো আইনৰ উৰ্ধত নহয়।" ব্যক্তিগতভাৱে বা বিধানসভাৰ অধ্যক্ষ হিচাপে এই বিষয়ত তেওঁৰ কৰিবলগীয়া একো নাই বুলিও তেওঁ স্পষ্ট কৰে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6945

দেশ

গুজৰাটত অস্ত্ৰসহ গ্ৰেপ্তাৰ কৰিমগঞ্জৰ যুৱক: জইছ-ই-মহম্মদৰ সৈতে সম্পৰ্কৰ অভিযোগ

NewzNow ডেস্ক | ২৭ নৱেম্বৰ ২০২৬, আবেলি ৪:১৩



গুৱাহাটী, ২৭ নৱেম্বৰ: অসমৰ কৰিমগঞ্জ জিলাৰ এজন যুৱকক গুজৰাটত অস্ত্ৰ-শস্ত্ৰসহ গ্ৰেপ্তাৰ কৰা ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6949

ৰাজনীতি

আকৌ অনা হ'ব মহিলা সংৰক্ষণ-সমষ্টি পুনৰ নির্ধাৰণ বিধেয়ক: লোকসভাত ৪১ আৰু ৰাজ্যসভাত ১১ সাংসদৰ সমর্থনৰ প্রয়োজন চৰকাৰক

SHAH ALAM | ২৭ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:৩৯



নতুন দিল্লী, ২৭ নৱেম্বৰ: সমষ্টি পুনৰ নির্ধাৰণ আৰু মহিলা সংৰক্ষণ বিধেয়কক কেন্দ্ৰ কৰি সংসদৰ বিশেষ অধিৱেশনৰ পূর্বে দেশৰ ৰাজনৈতিক মহলত ব্যাপক তৎপৰতা বৃদ্ধি পাইছে। ৩০ নৱেম্বৰৰ পৰা আৰম্ভ হ'বলগীয়া বিশেষ অধিৱেশনত কেন্দ্ৰীয় চৰকাৰে সংবিধান সংশোধনী বিধেয়কখন উত্থাপন কৰাৰ সম্ভাৱনা আছে। বিধেয়কখন গৃহীত কৰিবলৈ প্রয়োজনীয় দুই-তৃতীয়াংশ সংখ্যাগৰিষ্ঠতা লাভৰ লক্ষ্যৰে চৰকাৰী পক্ষই বিভিন্ন ৰাজনৈতিক দলৰ সমর্থন সংগ্রহৰ প্রচেষ্টা অব্যাহত ৰাখিছে। বর্তমান লোকসভাত বিধেয়কখন গৃহীত কৰিবলৈ ৩৬০টা ভোটৰ প্রয়োজন। ৫৪০গৰাকী সাংসদ থকা লোকসভাত শাস...

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/6906

দেশ

৫০% অধিক আসন, ২০৫১লৈ প্রতিনিধিত্বৰ অনুপাত স্থিৰ! নতুন Delimitation প্রস্তাৱে সংসদত পুনৰ তীব্র সংঘাতৰ ইংগিত

NewzNow ডেস্ক | ২৭ নৱেম্বৰ ২০২৬, আবেলি ৬:২৩



নতুন দিল্লী: মহিলা সংৰক্ষণ আৰু লোকসভাৰ সমষ্টি পুনৰ নির্ধাৰণক কেন্দ্ৰ কৰি দেশৰ ৰাজনীতিত পুনৰ এক গুৰুত্বপূর্ণ অধ্যায়ৰ সূচনা হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/7009

ৰাজনীতি

ডিএমকেৰ সৈতে পুনৰ সম্পর্ক গঢ়াৰ প্রয়াস কংগ্রেছৰ, মধ্যস্থতাকাৰীৰ ভূমিকাত মমতা বেনার্জী

NewzNow ডেস্ক | ২৭ নৱেম্বৰ ২০২৬, আবেলি ৫:৪১



গুৱাহাটী, ২৭ নৱেম্বৰ: সমষ্টি পুনর্নির্ধাৰণ আৰু মহিলা সংৰক্ষণ বিধেয়কক লৈ কেন্দ্ৰীয় চৰকাৰৰ পৰৱর্তী পদক্ষেপৰ পূর্বে বিৰোধী শিবিৰত ৰাজনৈতিক তৎপৰতা তীব্রতৰ হৈ পৰিছে। এনে পৰিস্থিতিত তামিলনাড়ুৰ শাসকীয় ডিএমকেৰ সৈতে পুনৰ সম্পর্ক গঢ়ি তোলাৰ প্রচেষ্টা চলাইছে কংগ্রেছে। এই প্রক্রিয়াত মধ্যস্থতাকাৰীৰ ভূমিকা লৈছে পশ্চিমবংগৰ মুখ্যমন্ত্রী তথা তৃণমূল কংগ্রেছৰ নেত্রী মমতা বেনার্জীয়ে। প্রায় ছমাহ পূর্বে তামিলনাড়ুৰ নির্বাচনৰ পাছত ডিএমকেৰ সৈতে মিত্রতা ভংগ কৰি অভিনেতা চি জোচেফ বিজয়ৰ টিভিকেৰ সৈতে হাত মিলাইছিল কংগ্রেছে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/6993

ৰাজনীতি

সমষ্টি পুনর্নির্ধাৰণক লৈ বিৰোধীৰ বৈঠক, INDIAৰ বাহিৰৰ দলসমূহকো আমন্ত্রণ খার্গেৰ

NewzNow ডেস্ক | ২৭ নৱেম্বৰ ২০২৬, আবেলি ৫:১৭



নতুন দিল্লী, ২৭ নৱেম্বৰ: সমষ্টি পুনর্নির্ধাৰণক লৈ কেন্দ্ৰীয় চৰকাৰে সংসদত সংবিধান সংশোধনী বিধেয়ক পুনৰ উত্থাপন কৰাৰ সম্ভাৱনাৰ মাজতে বিৰোধী দলসমূহৰ মাজত ঐক্যবদ্ধ কৌশল প্রস্তুতৰ বাবে এক বিশেষ বৈঠক আহ্বান কৰিছে কংগ্রেছে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/6983

ৰাজনীতি

"সংসদখন মোদী-শ্বাহৰ নে?": লোকসভাৰ আসন বৃদ্ধিৰ প্ৰস্তাৱক লৈ প্ৰশ্ন সাংসদ গৌৰৱ গগৈৰ

NewzNow ডেস্ক | ২৭ নৱেম্বৰ ২০২৬, আবেলি ৬:৪২



গুৱাহাটী, ২৭ নৱেম্বৰ: লোকসভাৰ সদস্য সংখ্যা ৮০০ৰো অধিক কৰাৰ কেন্দ্ৰীয় চৰকাৰৰ প্ৰস্তাৱক লৈ প্ৰশ্ন উত্থাপন কৰিছে কংগ্ৰেছ সাংসদ তথা লোকসভাৰ বিৰোধী উপ-দলপতি গৌৰৱ গগৈয়ে। সংসদৰ সদস্য সংখ্যা বৃদ্ধি কৰিলে দেশৰ জনসাধাৰণৰ প্ৰতিনিধিত্ব অধিক উন্নত হ'বনে, সংসদীয় আলোচনা অধিক ফলপ্ৰসূ হ'বনে আৰু চৰকাৰৰ জবাবদিহিতা বৃদ্ধি পাবনে - সেই সন্দৰ্ভত তেওঁ প্ৰশ্ন তোলে।

সামাজিক মাধ্যমত দিয়া এক পোষ্টত গগৈয়ে লোকসভাৰ আসন বৃদ্ধিৰ প্ৰস্তাৱৰ প্ৰভাৱক লৈ উদ্বেগ প্ৰকাশ কৰে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/7023

উত্তৰ-পূৰ্বাঞ্চল

ত্ৰিপুৰাৰ পৌৰ নিৰ্বাচনত ব্যাপক হিংসা আৰু ভোট লুটৰ অভিযোগ কংগ্ৰেছৰ

NewzNow ডেস্ক | ২৭ নৱেম্বৰ ২০২৬, আবেলি ৬:৪১



আগৰতলা, ২৭ নৱেম্বৰ: ত্ৰিপুৰাৰ পৌৰ নিৰ্বাচনত ব্যাপক হিংসা, ভোটাৰক ভয়-ভাবুকি প্ৰদৰ্শন আৰু ভোটকেন্দ্ৰ দখলৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিছে কংগ্ৰেছ বিধায়ক সুদীপ ৰায় বৰ্মনে। শুকুৰবাৰে তেওঁ শাসকীয় বিজেপিৰ বিৰুদ্ধে নিৰ্বাচনী অনিয়মৰ অভিযোগ তুলি ভোটাৰসকলক গণতান্ত্ৰিক অধিকাৰৰ পৰা বঞ্চিত কৰা হৈছে বুলি দাবী কৰে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/7019

উত্তৰ-পূৰ্বাঞ্চল

মণিপুৰত উগ্ৰপন্থীৰ আক্ৰমণত নিহত ৭ কুকি লোকৰ মৃতদেহ দুমাহৰ পাছত সমাধিস্থ

NewzNow ডেস্ক | ২৭ নৱেম্বৰ ২০২৬, আবেলি ৬:৪০



ইম্ফল, ২৭ নৱেম্বৰ: মণিপুৰৰ তামেংলং আৰু ন'নে জিলাত যোৱা ছেপ্টেম্বৰ মাহত সন্দেহযুক্ত সশস্ত্ৰ উগ্ৰপন্থীৰ আক্ৰমণত প্ৰাণ হেৰুওৱা সাতগৰাকী কুকি লোকৰ মৃতদেহ প্ৰায় দুমাহৰ পাছত শুকুৰবাৰে সমাধিস্থ কৰা হয়। নিহত সাতজনৰ ভিতৰত পাঁচগৰাকী মহিলা আছিল বুলি বিষয়াসকলে জনাইছে। প্ৰশাসনৰ সূত্ৰই জনোৱা মতে, চুৰাচান্দপুৰ জিলা চিকিৎসালয়ৰ মৰ্গত প্ৰায় দুমাহ ধৰি মৃতদেহকেইটা ৰখা হৈছিল। শুকুৰবাৰে চিকিৎসালয়ৰ পৰা ডি ভেইছন গাঁৱৰ এংলো-কুকি যুদ্ধ স্মাৰকস্থলীলৈ মৃতদেহকেইটা লৈ যোৱা হয় আৰু তাৰে এখন কবৰস্থানত শেষকৃত্য সম্পন্ন কৰা হয়।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/7015

উত্তৰ-পূৰ্বাঞ্চল

নাগালেণ্ডত ১৮ বছৰৰ পূৰ্বেই বিবাহপাশত আৱদ্ধ হৈছে ৫.৬ শতাংশ যুৱতী: সমাজ কল্যাণ সচিব

NewzNow ডেস্ক | ২৭ নৱেম্বৰ ২০২৬, আবেলি ৫:৪২



কহিমা: নাগালেণ্ডত বাল্যবিবাহৰ প্ৰচলন এক উদ্বেগজনক বিষয় হৈ পৰিছে। ৰাজ্যখনত ২০ৰ পৰা ২৪ বছৰ বয়সৰ ভিতৰৰ ৫.৬ শতাংশ যুৱতী ১৮ বছৰ বয়স সম্পূৰ্ণ হোৱাৰ পূৰ্বেই বিবাহপাশত আৱদ্ধ হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6987

দেশ

মেঘালয়ত ৰহস্যজনক অৱস্থাত উদ্ধাৰ অসম আৰক্ষীৰ জোৱানৰ মৃতদেহ

NewzNow ডেস্ক | ২৭ নৱেম্বৰ ২০২৬, আবেলি ৬:২৩



২৭ নৱেম্বৰ, ২০২৬

মেঘালয়ত ৰহস্যজনক অৱস্থাত উদ্ধাৰ অসম আৰক্ষীৰ জোৱানৰ মৃতদেহ। পিলিংকাটাত উদ্ধাৰ দশম APBNৰ জোৱান জেক্সন বড়োৰ মৃতদেহ।

মেঘালয়ৰ পিলিংকাটাত দশম অসম আৰক্ষী বেটেলিয়নৰ নিৰুদ্দিষ্ট কনিষ্টবল জেকচন বড়োৰ মৃতদেহ উদ্ধাৰ হোৱা ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। যোৱা ১৫ নৱেম্বৰৰ পৰা সন্ধানহীন হৈ থকা কনিষ্টবলগৰাকীৰ মৃত্যুৰ ঘটনাটো ২৭ নৱেম্বৰত পোহৰলৈ আহে।

দশম অসম আৰক্ষী বেটেলিয়নত কৰ্মৰত কনিষ্টবল জেকচন বড়ো বিগত প্ৰায় দুসপ্তাহ ধৰি সন্ধানহীন হৈ আছিল। অৱশেষত মেঘালয়ৰ পিলিংকাটা অঞ্চলত তেওঁৰ মৃতদেহ উদ্ধাৰ হোৱা বুলি জানিব পৰা গৈছে।

কনিষ্টবলগৰাকী কেনেদৰে মেঘালয়ৰ পিলিংকাটা পালেগৈ আৰু কি পৰিস্থিতিত তেওঁৰ মৃত্যু হ'ল, সেই বিষয়ে এতিয়ালৈকে কোনো স্পষ্ট তথ্য পোহৰলৈ অহা নাই। তেওঁৰ মৃত্যুৰ প্ৰকৃত কাৰণো আনুষ্ঠানিকভাৱে নিশ্চিত কৰা হোৱা নাই।

পৰিয়ালৰ লোকৰ অনুপস্থিতিতেই মেঘালয় আৰক্ষীয়ে মৃতদেহটোৰ শেষকৃত্য সম্পন্ন কৰা বুলি ওলোৱা খবৰে সমগ্ৰ ঘটনাটোক অধিক ৰহস্যজনক কৰি তুলিছে। এই সন্দৰ্ভত জোৱানজনৰ পৰিয়ালক পূৰ্বতে অৱগত কৰা হৈছিল নে নাই, সেই কথাও এতিয়াও স্পষ্ট হোৱা নাই।

আৰক্ষীয়ে ঘটনাৰ বিভিন্ন দিশ খতিয়ান লৈ তদন্ত অব্যাহত ৰাখিছে। মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন আৰু অন্যান্য প্ৰয়োজনীয় নথি-পত্ৰ সংগ্ৰহৰ প্ৰক্ৰিয়াও চলাই থকা হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6997

ৰাজনীতি

পশ্চিমবংগ বিধানসভাত বিৰোধী দলপতি আৰু মুখ্য সচেতকৰ নিযুক্তি বাতিল কলকাতা উচ্চ ন্যায়ালয়ৰ

NewzNow ডেস্ক | ২৭ নৱেম্বৰ ২০২৬, আবেলি ৫:০৯



কলকাতা, ২৭ নৱেম্বৰ: পশ্চিমবংগ বিধানসভাত তৃণমূল কংগ্ৰেছৰ বিদ্ৰোহী শিবিৰৰ নেতা ঋতব্ৰত বেনাৰ্জীক বিৰোধী দলপতি হিচাপে কৰা নিযুক্তি বাতিল কৰিছে কলকাতা উচ্চ ন্যায়ালয়ে। একে সময়তে অখৰুজ্জামানক দলটোৰ মুখ্য সচেতক হিচাপে কৰা নিযুক্তিও আদালতে খাৰিজ কৰে। শুকুৰবাৰে ন্যায়াধীশ কৃষ্ণ ৰাওৰ একক বিচাৰপীঠে এই ৰায় প্ৰদান কৰি বিধানসভাৰ অধ্যক্ষ ৰথীন্দ্ৰ বসুক দুয়োটা পদৰ নিযুক্তিৰ বিষয়টো ১০ দিনৰ ভিতৰত পুনৰ বিবেচনা কৰিবলৈ নিৰ্দেশ দিয়ে। তৃণমূল কংগ্ৰেছৰ নেতা শোভনদেৱ চট্টোপাধ্যায়ে অধ্যক্ষৰ এই সিদ্ধান্তক প্ৰত্যাহ্বান জনাই আদালতত আবেদন দাখিল কৰিছিল।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6979

অসম

অসম সচিবালয়ৰ মহিলা কৰ্মচাৰীয়ে পিন্ধিব নোৱাৰিব জিন্স, টি-শ্বাৰ্ট

NewzNow ডেস্ক | ২৭ নৱেম্বৰ ২০২৬, আবেলি ৪:৪২





অসম সচিবালয়ৰ মহিলা কৰ্মচাৰীয়ে পিন্ধিব নোৱাৰিব জিন্স, টি-শ্বাৰ্ট, টিউনিক, লেগিংছ, ক্ৰ'কছ, ফ্লিপ-ফ্লপ, পাটী ড্ৰেছ।পুৰুষ কৰ্মচাৰীয়েও পিন্ধিব নোৱাৰিব জিন্স, টি-শ্বাৰ্ট। অসম চৰকাৰৰ সাধাৰণ প্ৰশাসন বিভাগৰ জাননী জাৰি।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6959

অসম

বাণিজ্যিক বাহনৰ ধৰ্মঘট প্ৰত্যাহাৰ আমটাৰ, চৰকাৰক ১১ ডিচেম্বৰলৈ সময়সীমা

NewzNow ডেস্ক | ২৭ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:৫৪



গুৱাহাটী, ২৭ নৱেম্বৰ: ৰাজ্যজুৰি চলি থকা বাণিজ্যিক পৰিবহণ বাহনৰ ধৰ্মঘট অৱশেষত প্ৰত্যাহাৰ কৰিছে সদৌ অসম মটৰ পৰিবহণ সস্থাই (আমটা)। সংগঠনটোৱে নিজৰ বিভিন্ন দাবী কাৰ্যকৰী কৰাৰ বাবে ৰাজ্য চৰকাৰক অহা ১১ ডিচেম্বৰলৈ সময়সীমা বান্ধি দিছে। পৰিবহণ খণ্ডৰ সৈতে জড়িত একাধিক সমস্যা সমাধানৰ দাবীত সংগঠনটোৱে এই ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰিছিল।

গতি নিয়ন্ত্ৰক যন্ত্ৰ (এছএলডি) আৰু বাহন নিৰীক্ষণ ব্যৱস্থা (ভিএলটিডি) সংস্থাপন, বাহনৰ ফিটনেছ প্ৰমাণপত্ৰ, ই-চালান ব্যৱস্থা আৰু পৰিবহণ সম্পৰ্কীয় অন্যান্য নিয়ম কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত সন্মুখীন হোৱা সমস্যাসমূহক লৈ পৰিবহণ সংস্থাসমূহে আপত্তি দৰ্শাই আহিছিল। বিশেষকৈ এছএলডি সংস্থাপনৰ বাবে পৰ্যাপ্ত কেন্দ্ৰ নথকা, ভিএলটিডিৰ তথ্য 'বাহন' প'টেলত অন্তৰ্ভুক্ত কৰাৰ জটিলতা আৰু ফিটনেছ পৰীক্ষাৰ সুবিধাৰ অভাৱৰ বিষয়টো সংগঠনটোৱে গুৰুত্বসহকাৰে উত্থাপন কৰিছিল।

ইয়াৰ পূৰ্বে যোৱা ২৬ নৱেম্বৰত দিছপুৰৰ জনতা ভৱনত আমটাৰ প্ৰতিনিধি দলৰ সৈতে পৰিবহণ বিভাগৰ শীৰ্ষ বিষয়াসকলৰ এক বৈঠক অনুষ্ঠিত হৈছিল। এই বৈঠকত পৰিবহণ আয়ুক্ত তথা সচিব আকাশ দীপ উপস্থিত আছিল। বৈঠকত সংগঠনটোৱে চৰকাৰৰ ওচৰত ছটা দাবী উত্থাপন কৰি লিখিত প্ৰতিশ্ৰুতি বিচাৰিছিল।

ইফালে, পৰিবহণ মন্ত্ৰী চৰণ বড়োৱে জনোৱা অনুসৰি এছএলডি আৰু ভিএলটিডি সংস্থাপন কৰা বাহনৰ তথ্য 'বাহন' প'টেলত অন্তৰ্ভুক্ত কৰাৰ বাবে ৪৫ দিনৰ সময়সীমা দিয়া হৈছে। এই সময়ছোৱাত যাৱতীয় কাম সম্পূৰ্ণ কৰিলে বাহনৰ গৰাকীসকলে জৰিমনা পৰিশোধৰ পৰা ৰেহাই লাভ কৰিব।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6941

আন্তঃৰাষ্ট্ৰীয়

১৬ বছৰতে AI উদ্যোগপতি! পুটিনৰ সৈতে সাক্ষাৎ কৰি চৰ্চাত থকা ভাৰতীয় কিশোৰ ৰাউল জন অজু কোন ?

NewzNow ডেস্ক | ২৭ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:২৫



নতুন দিল্লী, ২৭ নৱেম্বৰ: মাত্ৰ ১৬ বছৰ বয়সতে কৃত্ৰিম বুদ্ধিমত্তা অৰ্থাৎ এআইৰ ক্ষেত্ৰখনত বিশেষ পৰিচয় গঢ়ি তোলা ভাৰতীয় কিশোৰ ৰাউল জন অজুৱে ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমিৰ পুটিনক সাক্ষাৎ কৰিছে। মস্কোত পুটিনৰ সৈতে সাক্ষাৎ কৰাৰ পাছতে কিশোৰগৰাকীৰ প্ৰযুক্তিগত যাত্ৰাই আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত ব্যাপক চৰ্চা লাভ কৰিছে।

মস্কোত অনুষ্ঠিত 'এআই জাৰ্নি ২০২৬' সম্মিলনত ৰাউলে ৰাষ্ট্ৰপতি পুটিনক সাক্ষাৎ কৰে। পাছত তেওঁ সামাজিক মাধ্যমত ৰাছিয়াৰ ৰাষ্ট্ৰপতিগৰাকীৰ সৈতে একেলগে তোলা এখন ফটো প্ৰকাশ কৰে। ৯ বছৰ বয়সত প্ৰথমটো ভিডিঅ' নিৰ্মাণ কৰাৰ পৰা ১৬ বছৰ বয়সত পুটিনৰ সৈতে ফটো তোলালৈকে এই যাত্ৰা কল্পনাৰো অগোচৰ আছিল বুলি কিশোৰগৰাকীয়ে প্ৰকাশ কৰে। এই সম্মিলনত বিশ্বৰ আগশাৰীৰ এআই গৱেষক আৰু প্ৰযুক্তি বিশেষজ্ঞসকলক লগ পোৱাৰ কথাও তেওঁ উল্লেখ কৰে।

কেৰালাৰ বাসিন্দা ৰাউল সৰুৰে পৰাই প্ৰযুক্তিৰ প্ৰতি অত্যন্ত আগ্ৰহী আছিল। ভিডিঅ' সম্পাদনাৰ পৰা আৰম্ভ কৰি পাছলৈ তেওঁ ৰবটিক্স আৰু এআইৰ দিশে অগ্ৰসৰ হয়। মাত্ৰ ১২ বছৰ বয়সতে তেওঁ প্ৰথমটো ৰবট নিৰ্মাণ কৰিছিল।

পৰৱৰ্তী সময়ত তেওঁ ১০টাতকৈও অধিক এআই-ভিত্তিক সঁজুলি প্ৰস্তুত কৰে আৰু 'এআই ৰিয়েলম টেকন'লজিছ' নামৰ এক প্ৰতিষ্ঠান গঢ়ি তোলে। বিদ্যালয়ৰ বিজ্ঞান প্ৰদৰ্শনীৰ বাবে তেওঁ 'মিবট' নামৰ এটা প্ৰকল্পও প্ৰস্তুত কৰিছিল।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6937

অসম

বিধানসভাৰ উপাধ্যক্ষ ডাঃ হাবে টেৰণৰ নাৰী কেলেংকাৰীৰ অভিযোগ লৈ মহিলা আয়োগত প্ৰদেশ কংগ্ৰেছ

NewzNow ডেস্ক | ২৭ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:২৭



২৭ নৱেম্বৰ , ২০২৬

'মহিলা আয়োগ এতিয়া মহিলা আয়োগ হৈ থকা নাই'। 'এইপৰ্যন্ত মহিলা আয়োগে নিজাববীয়া গোচৰ ৰুজু নকৰাতো আশ্চৰ্যজনক'। বিধানসভাৰ উপাধ্যক্ষ ডাঃ হাবে টেৰণৰ বিষয় লৈ মহিলা আয়োগত প্ৰদেশ কংগ্ৰেছ। কংগ্ৰেছ নেত্ৰী মীৰা বৰঠাকুৰৰ নেতৃত্বত মহিলা আয়োগত উপস্থিত কংগ্ৰেছৰ এটি দল। আয়োগৰ কাৰ্যালয়ত গোচৰ ল'বলৈ বিষয়ববীয়া নথকাতো ক্ষোভ কংগ্ৰেছ নেতৃত্বৰ। কাৰ্যালয়ত উপস্থিত এগৰাকী লিগেল বিষয়া, কিন্তু তেওঁৰ নাছিল গোচৰ গ্ৰহণ কৰাৰ কৰ্তৃত্ব। ২৪ ঘণ্টাৰ ভিতৰত উপাধ্যক্ষৰ বিৰুদ্ধে গোচৰ ল'বলৈ আহ্বান কংগ্ৰেছ নেতৃত্বৰ।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6933

ত্ৰিপুৰা

ত্ৰিপুৰাৰ পৌৰ নিৰ্বাচনত পুৱা ৯ বজালৈ ১৮ শতাংশ ভোটদান, বুথ দখলৰ অভিযোগ মাণিক সৰকাৰৰ

NewzNow ডেস্ক | ২৭ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:১৭



আগৰতলা, ২৭ নৱেম্বৰ: ত্ৰিপুৰাৰ পৌৰ নিৰ্বাচনত পুৱাৰ ভাগত প্ৰায় ১৮ শতাংশ ভোটদান সাব্যস্ত হৈছে। ভোটগ্ৰহণ প্ৰক্ৰিয়াক লৈ ৰাজ্যখনত তীব্ৰ ৰাজনৈতিক বিতৰ্কৰো সৃষ্টি হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6874

অসম

অসমৰ কেবিনেটৰ A to Z সিদ্ধান্ত: চাহ উদ্যোগত ১৫২ কোটি, কাছাৰত Godrej-ৰ ১০১ কোটিৰ বিনিয়োগ

NewzNow ডেস্ক | ২৭ নৱেম্বৰ ২০২৬, নিশা ৮:১০



গুৱাহাটী, ২৭ নৱেম্বৰ: ৰাজ্যৰ উদ্যোগ, নগৰ উন্নয়ন, বন সংৰক্ষণ আৰু আভ্যন্তৰীণ জল পৰিবহণ খণ্ডক লৈ কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰিছে ৰাজ্য চৰকাৰৰ কেবিনেটে। নতুন দিল্লীত অনুষ্ঠিত কেবিনেট বৈঠকৰ পাছত এক সংবাদমেলত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই সিদ্ধান্তসমূহৰ বিষয়ে আনুষ্ঠানিকভাৱে সদৰী কৰে। কেবিনেটৰ সিদ্ধান্ত মৰ্মে, তিনিচুকীয়াৰ গেলাপুখুৰী উদ্যোগিক পামত চাহ উদ্যোগ স্থাপনৰ বাবে ১৫২ কোটি টকাৰ অনুমোদন জনোৱা হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/7052

অসম

বাল্য বিবাহৰ বিৰুদ্ধে অভিযানত অসমত ৬ হাজাৰৰো অধিক গ্ৰেপ্তাৰ

NewzNow ডেস্ক | ২৭ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:১৬



গুৱাহাটী, ২৭ নৱেম্বৰ: অসমত বাল্যবিবাহৰ বিৰুদ্ধে চলোৱা অভিযানত ২০২১ চনৰ পৰা বৰ্তমানলৈকে ৬ হাজাৰৰো অধিক লোকক গ্ৰেপ্তাৰ কৰা হৈছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই শুকুৰবাৰে এই তথ্য প্ৰকাশ কৰি বাল্যবিবাহ প্ৰথা সম্পূৰ্ণৰূপে নিৰ্মূল কৰাৰ বাবে চৰকাৰৰ অভিযান অব্যাহত থাকিব বুলি স্পষ্ট কৰে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6872

অসম

লিখিত প্ৰতিশ্ৰুতি নোপোৱালৈকে চলিব ধৰ্মঘট, মটৰ ট্ৰেন্সপ'ৰ্ট এছ'চিয়েচনৰ হুংকাৰ

NewzNow ডেস্ক | ২৭ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:১৫



গুৱাহাটী, ২৬ নৱেম্বৰ: চৰকাৰৰ সৈতে হোৱা আলোচনাত দাবীসমূহ সমাধানৰ ক্ষেত্ৰত কোনো চূড়ান্ত সিদ্ধান্ত নোলোৱাত অসমত বাণিজ্যিক পৰিবহণ সেৱাৰ অনিৰ্দিষ্টকালীন ধৰ্মঘট অব্যাহত থাকিব। অল আছাম মটৰ ট্ৰেন্সপ'ৰ্ট এছ'চিয়েচনে (আমটা) চৰকাৰৰ পৰা লিখিত প্ৰতিশ্ৰুতি লাভ নকৰালৈকে এই ধৰ্মঘট প্ৰত্যাহাৰ নকৰে বুলি স্পষ্ট কৰি দিছে।

বৃহস্পতিবাৰে দুপৰীয়া ১ বজাত গুৱাহাটীৰ জনতা ভৱনত পৰিবহণ বিভাগৰ জ্যেষ্ঠ বিষয়াসকলৰ সৈতে আমটাৰ প্ৰতিনিধিৰ এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত পৰিবহণ আয়ুক্ত তথা সচিব আকাশ দীপৰ লগতে বিভাগৰ অন্যান্য বিষয়াসকলো উপস্থিত আছিল।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6877

দেশ

২০২৭ চনৰ বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতি: দিল্লীত বিজেপিৰ দুদিনীয়া গুৰুত্বপূৰ্ণ বৈঠক

NewzNow ডেস্ক | ২৭ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:১০



নতুন দিল্লী:

আগন্তুক ২০২৭ চনৰ বিধানসভা নিৰ্বাচনক লক্ষ্য কৰি সাংগঠনিক প্ৰস্তুতি আৰু নিৰ্বাচনী ৰণনীতি নিৰ্ধাৰণৰ উদ্দেশ্যে নতুন দিল্লীত ভাৰতীয় জনতা পাৰ্টিৰ এক গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হৈছে। ২৭ আৰু ২৮ নৱেম্বৰত দিল্লীৰ পূষা চৌহদত এই দুদিনীয়া বৈঠকখন অনুষ্ঠিত হয়।বিজেপিৰ দুদিনীয়া ৰাষ্ট্ৰীয় কাৰ্যালয়বাহী বৈঠকক লৈ দিল্লীৰ পুছা কেম্পাছত ব্যাপক প্ৰস্তুতি। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনৰ অধ্যক্ষতাত অনুষ্ঠিত হ'ব বৈঠক।

দলৰ এই গুৰুত্বপূৰ্ণ বৈঠকত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আৰু বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীত...

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6868

উত্তৰ-পূৰ্বাঞ্চল

নিষিদ্ধ গুটখাৰ অবৈধ বেহা! অসম-মেঘালয়ৰ ৬ স্থানত EDৰ অভিযান

NewzNow ডেস্ক | ২৭ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:১০



গুৱাহাটী, ২৭ নৱেম্বৰ: নিষিদ্ধ ধঁপাতজাতীয় সামগ্ৰীৰ অবৈধ সৰবৰাহ তথা বিক্ৰীৰ জৰিয়তে ধন সৰবৰাহ কৰাৰ অভিযোগৰ তদন্তৰ অংশ হিচাপে অসম আৰু মেঘালয়ৰ ৬টা স্থানত অভিযান চলাইছে এনফ'ৰ্চমেণ্ট ডাইৰেক্টৰেট চমুকৈ ইডিয়ে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6880

অসম

অসমৰ ভূমিত মেঘালয়ৰ বিদ্যালয় নিৰ্মাণৰ অভিযোগ, দক্ষিণ কামৰূপত প্ৰশাসনৰ উচ্ছেদ অভিযান

NewzNow ডেস্ক | ২৭ নৱেম্বৰ ২০২৬, নিশা ৮:০১



দক্ষিণ কামৰূপৰ অসম-মেঘালয় সীমান্তত অবৈধ নিৰ্মাণকাৰ্যৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ গ্ৰহণ কৰিছে প্ৰশাসনে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/7044

অনুসন্ধান

এটা ভায়েলৰ দাম ১.৫ লাখ - নকল ঔষধৰ মাৰাত্মক জাল: বিগ ফার্মাৰ একচেটিয়া বেহাই কেনেকৈ ইন্ধন যোগালে ক'লা বজাৰত

NewzNow ডেস্ক | ২৭ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:০২



নতুন দিল্লীৰ এইমছ (AIIMS)-ৰ জৰুৰীকালীন কক্ষৰ বাহিৰত এখন্তেক থিয় হ'লেই চকুত পৰিব এখন বুকু কঁপোৱা ছবি - ইমিউন'থেৰাপিৰ এটা মাত্ৰ ভায়েল কিনিবলৈ পৈতৃক মাটি-ভেটি পৰ্যন্ত বিক্ৰী কৰিবলৈ বাধ্য হোৱা অসংখ্য অসহায় পৰিয়াল। বিশ্বৰ লাখ লাখ কৰ্কট ৰোগীৰ বাবে জীৱনৰ শেষ ভৰসা হৈ পৰা সেই ঔষধবিধৰ নাম কীট্ৰুডা (Keytruda)। ১৯ বিধ ভিন্ন টিউমাৰৰ চিকিৎসাত অনুমোদিত এই যুগান্তকাৰী ঔষধবিধ বৰ্তমান পৃথিৱীৰ আটাইতকৈ লাভজনক ঔষধ হিচাপে পৰিগণিত হৈছে।

কেৱল ২০২৫ বৰ্ষতেই কীট্ৰুডাই ফার্মাচিউটিকেল জায়াণ্ট মার্ক এণ্ড কোম্পানী (Merck & Co.

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6881

অসম

কাৰাগাৰৰ পৰা ওলাল ৰাকেশ পাল

NewzNow ডেস্ক | ২৭ নৱেম্বৰ ২০২৬, নিশা ৮:০৫



গুৱাহাটী, ২৭ নৱেম্বৰ: অসম লোকসেৱা আয়োগৰ (এপিএছচি) নিযুক্তি কেলেংকাৰিৰ গোচৰত ১৪ বছৰৰ কাৰাদণ্ডৰে দণ্ডিত আয়োগৰ প্ৰাক্তন অধ্যক্ষ ৰাকেশ পাল কাৰাগাৰৰ পৰা মুকলি হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/7048

উত্তৰ-পূৰ্বাঞ্চল

উত্তৰ-পূৰ্বাঞ্চলত আন্তঃৰাষ্ট্ৰীয় ড্ৰাগছৰ নেটৱৰ্ক: এনচিবিৰ চাৰ্জশ্বীটত বৃহৎ হাৱালা কেলেংকাৰি পোহৰলৈ

NewzNow ডেস্ক | ২৭ নৱেম্বৰ ২০২৬, পুৱা ৯:৫৬



উত্তৰ-পূৰ্বাঞ্চলৰ চহৰসমূহৰ সাধাৰণ গৃহিনীৰ বেংক একাউণ্ট ব্যৱহাৰ কৰি ভাৰত-ম্যানমাৰ সীমান্তৰে চলিছে কোটি কোটি টকাৰ আন্তঃৰাষ্ট্ৰীয় ড্ৰাগছৰ বেহা। নাৰ্কটিক্স কন্ট্ৰোল ব্যুৰো চমুকৈ এনচিবিৰ এখন চাৰ্জশ্বীটত ম্যানমাৰৰ পৰা মিজোৰাম, মণিপুৰ আৰু অসম হৈ বাংলাদেশ তথা সমগ্ৰ ভাৰতবৰ্ষলৈ ড্ৰাগছ সৰবৰাহ কৰা এক বৃহৎ চক্ৰৰ বিত্তীয় নেটৱৰ্কৰ তথ্য ফাদিল হৈছে। এই চক্ৰটোৰ মূল অভিযুক্ত হিচাপে ম্যানমাৰৰ নাগৰিক থাংচিনটুৱাং ওৰফে চিনটুৱাঙক চিহ্নিত কৰা হৈছে।

তদন্তকাৰী সংস্থাই সদৰী কৰা অনুসৰি, এই চক্ৰটোৱে কেৱল নগদ ধন সৰবৰাহৰ ওপৰত নিৰ্ভৰ নকৰি স্থানীয়...

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6768

অসম

মটক জনগোষ্ঠীৰ ৰাজনৈতিক ঐক্যৰ নতুন মঞ্চ 'বেংমৰা গণমঞ্চ'ৰ আত্মপ্ৰকাশ

আইনুল আহমেদ | ২৭ নৱেম্বৰ ২০২৬, আবেলি ৬:৪৮



মটক জনগোষ্ঠীৰ ৰাজনৈতিক অধিকাৰ আৰু স্বাৰ্থ সুৰক্ষাৰ লক্ষ্যৰে একত্ৰিত হ'ল পাঁচটাকৈ সক্ৰিয় সংগঠন। ডিব্ৰুগড়ত আজি আনুষ্ঠানিকভাৱে আত্মপ্ৰকাশ কৰে নতুন ৰাজনৈতিক মঞ্চ 'বেংমৰা গণমঞ্চ'ই।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6963

অসম

উচ্ছেদৰ বিৰুদ্ধে ধুবুৰীত AAMSUৰ প্ৰতিবাদ, পুনৰ সংস্থাপনৰ দাবীত উপায়ুক্তৰ কাৰ্যালয় ঘেৰাও

NewzNow ডেস্ক | ২৭ নৱেম্বৰ ২০২৬, আবেলি ৬:২৯



ধুবুৰী, ২৭ নৱেম্বৰ: ধুবুৰী জিলাৰ বিভিন্ন অঞ্চলত চলোৱা উচ্ছেদ অভিযানৰ বিৰুদ্ধে শুকুৰবাৰে সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়নে (আমছু) এক বিশাল প্ৰতিবাদী সমদল উলিয়ায়। উচ্ছেদৰ ফলত গৃহহীন হৈ পৰা পৰিয়ালসমূহক পুনৰ সংস্থাপন দিয়া আৰু উচ্ছেদ অভিযান বন্ধ কৰাৰ দাবীত সংগঠনটোৰ হাজাৰ হাজাৰ কৰ্মী-সমৰ্থকে জিলা আয়ুক্তৰ কাৰ্যালয় ঘেৰাও কৰি উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে।

প্ৰতিবাদৰ অন্তত আমছুৰ প্ৰতিনিধিয়ে অসমৰ মুখ্যমন্ত্ৰীলৈ বুলি ধুবুৰীৰ জিলা আয়ুক্তৰ জৰিয়তে এখন স্মাৰক-পত্ৰ প্ৰেৰণ কৰে। স্মাৰক-পত্ৰখনত জিলাখনত চলোৱা উচ্ছেদৰ ফলত হাজাৰ হাজাৰ পৰিয়াল গৃহহীন হোৱা বুলি দাবী কৰা হয়।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/7011

অসম

জনজাতিৰ মৰ্যাদা আৰু ৫৫১ টকা মজুৰিৰ দাবীত ডুমডুমাত আছাৰ পোষ্টাৰ অভিযান

NewzNow ডেস্ক | ২৭ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:২২



ডুমডুমা, ২৭ নৱেম্বৰ: অনুসূচিত জনজাতিৰ মৰ্যাদা, ভূমিৰ অধিকাৰ আৰু চাহ শ্ৰমিকৰ দৈনিক মজুৰি বৃদ্ধিৰ দাবীত তিনিচুকীয়া জিলাৰ ডুমডুমাৰ চাহ বাগিচাসমূহত এক ব্যাপক পোষ্টাৰ অভিযান আৰম্ভ কৰিছে সদৌ আদিবাসী ছাত্ৰ সন্থা চমুকৈ আছাই। বৃহস্পতিবাৰে সংগঠনটোৰ কেন্দ্ৰীয় আৰু তিনিচুকীয়া জিলা সমিতিৰ নিৰ্দেশনাত ডুমডুমা আঞ্চলিক সমিতিয়ে এই কাৰ্যসূচী ৰূপায়ণ কৰে।

এই অভিযানৰ জৰিয়তে আদিবাসী জনগোষ্ঠীৰ দীৰ্ঘদিনীয়া দাবীসমূহ পুনৰ উত্থাপন কৰি বিজেপি চৰকাৰৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ প্ৰকাশ কৰে ছাত্ৰ সংগঠনটোৱে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6919

শিক্ষা

চিকিৎসা শিক্ষাৰ মাচুল বৃদ্ধিৰ সিদ্ধান্ত প্ৰত্যাহাৰৰ দাবী ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ

NewzNow ডেস্ক | ২৭ নৱেম্বৰ ২০২৬, আবেলি ৫:০০



২৭ নৱেম্বৰ , ২০২৬

অসমৰ চিকিৎসা শিক্ষাৰ পাঠ্যক্ৰমৰ মাচুল বৃদ্ধি সিদ্ধান্ত প্ৰত্যাহাৰৰ লগতে ITEP পাঠ্যক্ৰমৰ মাচুল সম্পূৰ্ণ বিনামূলীয়া কৰাৰ দাবীত সংবাদমেল ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6975

অসম

জামুগুৰিহাটত ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত ডাম্পাৰ বাগৰি তিনি শিক্ষাৰ্থীসহ চাৰিজন গুৰুতৰভাৱে আহত

NewzNow ডেস্ক | ২৭ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:১৪



জামুগুৰিহাট: জামুগুৰিহাটৰ গেৰেকিচুকত ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত সংঘটিত এক ভয়ংকৰ পথ দুৰ্ঘটনাত তিনিগৰাকী ছাত্ৰ-ছাত্ৰীসহ এগৰাকী মহিলা গুৰুতৰভাৱে আহত হয়।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6925

অসম

মৈৰাবাৰীৰ প্ৰাক্তন পঞ্চায়ত সভাপতি আক্কাছ আলিৰ জানাজাত ১০ সহস্ৰাধিক লোকৰ সমাগম

নাছিদুৰ ৰহমান | ২৭ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:১২



মৈৰাবাৰীৰ প্ৰাক্তন পঞ্চায়ত সভাপতি তথা সমাজসেৱক। আক্কাছ আলি জানাজা নামাজ সম্পন্ন।

দহ হেজাৰৰো অধিক লোক উপস্থিত।

আনুমানিক ৭০ বছৰ বয়সত তেওঁৰ মৃত্যু হয়।

তেওঁ দীৰ্ঘ দিনৰ পৰা দু�ৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ আছিল।

গুৱাহাটীত চিকিৎসাধীন অৱস্থাত বৃহস্পতিবাৰে ৮ টা বজাত তেওঁৰ মৃত্যু হয়।

আক্কাছ আলিৰ তিনিবাৰ মৈৰাবাৰী গাঁও পঞ্চায়তৰ পৰা সভাপতি হিচাপে আছিল। লগতে বিভিন্ন সামাজিক আৰু ধৰ্মীয় কাম কাজত তেওঁ জড়িত আছিল।

তেওঁৰ জানাজা নামাজ মৈৰাবাৰী গাৰে হেৰা জামে মছজিদ প্ৰাংগণত আদায় কৰা হয়।

তেওঁৰ জানাজা নামাজত প্ৰায় দহ হেজাৰ লোক উপস্থিত থাকে।

তেওঁৰ মৃত্যুত সমগ্ৰ মৈৰাবাৰী অঞ্চলত শোকৰ ছা পৰিছে।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6929

অসম

১৯০খন বাগিচাই জমা দিয়া নাই চাহ শ্ৰমিকৰ PFৰ ধন; ৫২খনৰ বিৰুদ্ধে আইনী ব্যৱস্থা-৫৩খনৰ বিৰুদ্ধে এজাহাৰ

NewzNow ডেস্ক | ২৭ নৱেম্বৰ ২০২৬, আবেলি ৬:২৩



গুৱাহাটী, ২৭ নৱেম্বৰ: অসমৰ চাহ বাগিচাসমূহত শ্ৰমিকৰ সামাজিক সুৰক্ষা আৰু স্বাস্থ্যসেৱাৰ প্ৰকৃত অৱস্থাক লৈ অসম বিধানসভাত দাখিল কৰা এক চৰকাৰী তথ্যত কেইবাটাও গুৰুত্বপূৰ্ণ বিষয় পোহৰলৈ আহিছে। ৰাজ্যখনৰ ১৯০খন চাহ বাগিচা আৰু কাৰখানা কৰ্তৃপক্ষই শ্ৰমিক আৰু কৰ্মচাৰীৰ প্ৰাপ্য ভৱিষ্যনিধিৰ ধন জমা দিয়া নাই বুলি চৰকাৰে সদৰী কৰিছে।

বিধানসভাত দিয়া চৰকাৰী উত্তৰ অনুসৰি, অসম চাহ শ্ৰমিক-কৰ্মচাৰী ভৱিষ্যনিধি সংগঠনৰ অধীনত পঞ্জীয়নভুক্ত ১,২৯১খন চাহ বাগিচা আৰু কাৰখানা আছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/7005

অসম

কলেজৰ চৌহদত বনাব নোৱাৰিব ৰীলছ

NewzNow ডেস্ক | ২৭ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:৩৭



ঢেকীয়াজুলি:

কলেজৰ চৌহদত বনাব নোৱাৰিব ৰীলছ। ইউনিফৰ্ম পিন্ধি ভিডিঅ' বা ৰীলছ বনালে লোৱা হ'ব বিহিত ব্যৱস্থা । শিক্ষানুষ্ঠানৰ শৈক্ষিক পৰিৱেশ অটুট ৰাখিবলৈ কৰ্তৃপক্ষৰ এই সিদ্ধান্ত ।শ্ৰেণীকোঠাতো মোবাইল ফোনৰ অযথা ব্যৱহাৰ সম্পূৰ্ণৰূপে বন্ধ কৰিছে মহাবিদ্যালয় কৰ্তৃপক্ষই ।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6894

অসম

দলীয় নির্দেশ অৱমাননা: বিপদত কামৰূপ জিলা কংগ্রেছৰ সভাপতি প্রণজিৎ চৌধুৰী

NewzNow ডেস্ক | ২৭ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:০৭



গুৱাহাটী, ২৭ নৱেম্বৰ: 'সংবিধান ৰক্ষা মার্চ'ৰ প্রস্তুতি সভা বাতিল কৰাক লৈ কামৰূপ জিলা কংগ্রেছৰ সভাপতি প্রণজিৎ চৌধুৰীলৈ কাৰণ দর্শোৱাৰ জাননী প্রেৰণ কৰিছে অসম প্রদেশ কংগ্রেছ কমিটীয়ে। জাননী লাভ কৰাৰ ২৪ ঘণ্টাৰ ভিতৰত তেওঁক লিখিতভাৱে স্পষ্টীকৰণ দাখিল কৰিবলৈ নির্দেশ দিয়া হৈছে। ২৬ নৱেম্বৰত জাৰি কৰা জাননী অনুসৰি, গুৱাহাটীত ২৪ নৱেম্বৰত অনুষ্ঠিত হ'বলগীয়া 'সংবিধান ৰক্ষা মার্চ'ৰ প্রস্তুতিৰ বাবে কামৰূপ জিলা কংগ্রেছৰ এখন সভা নির্ধাৰণ কৰা হৈছিল।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/6884

অসম

গুৱাহাটীত পৌৰ নিগমৰ 'শত দিন শত অভিযান': নলা-নর্দমা পৰিষ্কাৰৰ কাম পৰিদর্শন মেয়ৰৰ

NewzNow জিলা ডেস্ক | ২৭ নৱেম্বৰ ২০২৬, পুৱা ১১:১০



গুৱাহাটী: মহানগৰীৰ নলা-নর্দমা আৰু নর্দমাৰ পানী ওলাই যোৱা পথসমূহ পৰিষ্কাৰ কৰাৰ বাবে বিশেষ অভিযান আৰম্ভ কৰিছে গুৱাহাটী পৌৰ নিগমে (GMC)। নিগমৰ '১০০ দিন, ১০০ অভিযান' কার্যসূচীৰ অধীনত এই চাফাই অভিযান চলোৱা হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/6801

অসম

তিনিচুকীয়াত অনির্দিষ্টকালীন চকাবন্ধৰ ব্যাপক প্রভাৱ: যাত্রীৰ মাজত হাহাকাৰ

NewzNow ডেস্ক | ২৭ নৱেম্বৰ ২০২৬, পুৱা ১১:৪৮



তিনিচুকীয়া:

অসমত সদৌ অসম মটৰ পৰিবহণ সন্থাৰ (AAMTA) আহ্বানত আৰম্ভ হোৱা অনির্দিষ্টকালীন চকা বন্ধৰ আজি দ্বিতীয় দিন, আৰু তিনিচুকীয়াকে ধৰি ৰাজ্যৰ বিভিন্ন প্রান্তত ইয়াৰ সর্বাত্মক প্রভাৱ অব্যাহত আছে।

সদৌ অসম মটৰ পৰিবহণ সন্থাৰ আহ্বানত ২৬ নৱেম্বৰৰ পৰা আৰম্ভ হোৱা অনির্দিষ্টকালীন চকাবন্ধৰ দ্বিতীয় দিনা তিনিচুকীয়াত তীব্র প্রভাৱ পৰিছে। ৰাজপথত বাণিজ্যিক বাহনৰ চলাচল যথেষ্ট হ্রাস পোৱাৰ ফলত সাধাৰণ যাত্রীসকলৰ মাজত হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হৈছে।

চকাবন্ধৰ ফলত জিলাখনত স্বাভাৱিক বাহ সেৱা সম্পূর্ণৰূপে ব্যাহত হৈ পৰিছে। ইয়াৰ ফলত নিতৌ বিভিন্ন কাম-কাজৰ বাবে যাতায়াত কৰা কর্মচাৰীসকলৰ লগতে শিক্ষানুষ্ঠানলৈ যোৱা ছাত্র-ছাত্রীসকলো চৰম অসুবিধাৰ সন্মুখীন হৈছে। তিনিচুকীয়া চহৰৰ ৰাজপথত বাহ, টেক্সি, অটো-ৰিক্সা আদি বাণিজ্যিক বাহনৰ চলাচল প্রায় স্তব্ধ হৈ পৰিছে, যাৰ ফলত দৈনিক যাত্রী, ছাত্র-ছাত্রী আৰু কার্যালয়লৈ যোৱা লোকসকল চৰম অসুবিধাৰ সন্মুখীন হৈছে।

পৰিবহণ সেৱা ব্যাহত হোৱাৰ সুযোগ লৈ একাংশ টেক্সি চালকে যাত্রীৰ পৰা অতিৰিক্ত ভাড়া সংগ্রহ কৰাৰ অভিযোগ উত্থাপন হৈছে। টেক্সি চালকসকলৰ এনে কার্যত যাত্রীসকলৰ মাজত তীব্র ক্ষোভৰ সৃষ্টি হৈছে।

উল্লেখ্য যে এছএলডি আৰু ভিএলটিডি যন্ত্র বাধ্যতামূলক কৰাৰ বিৰোধিতা, কৰ আৰু জৰিমনা হ্রাস কৰা, ইন্ধনৰ মূল্য কমোৱা আৰু অবৈধ টোল গেট বন্ধ কৰাকে ধৰি কেইবাটাও দাবীৰ সমর্থনত পৰিবহণ সন্থাটোৱে এই অনির্দিষ্টকালীন চকাবন্ধৰ আহ্বান জনাইছে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/6864

অসম

ৰৱপেটাৰোডৰ হটাপাৰাত যুৱতীক চোকা অস্ত্ৰৰে ঘপিয়াই নৃশংসভাৱে হত্যা

NewzNow ডেস্ক | ২৭ নৱেম্বৰ ২০২৬, পুৱা ১১:০৭



ৰৱপেটাৰোড: ৰৱপেটাৰোডৰ ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ হটাপাৰাত এক চাঞ্চল্যকৰ আৰু লোমহৰ্ষক হত্যাকাণ্ডৰ ঘটনা সংঘটিত হৈছে। মটৰচাইকেলত অহা দুই দুৰ্বৃত্তই এগৰাকী যুৱতীক চোকা অস্ত্ৰৰে ডিঙি আৰু মুখমণ্ডলত ঘপিয়াই হত্যা কৰে।

নিহত যুৱতীগৰাকীৰ নাম ৰেজিয়া খাতুন (২৮) বুলি চিনাক্ত কৰা হৈছে। যুৱতীগৰাকীৰ বিবাহিত ঘৰ ৰৱপেটা থানাৰ অন্তৰ্গত ৰৱবালাত বুলি জানিব পৰা গৈছে।

ঘটনাৰ সময়ত যুৱতীগৰাকীৰ লগত আন এগৰাকী যুৱতীও উপস্থিত আছিল। তেওঁৰ নাম নাৰ্গিছ পাৰবিন আৰু তেওঁৰ ঘৰ জনীয়াত।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6808

অসম

আমুৰ ফেলকনৰ সুৰক্ষাৰ বাবে অসম চৰকাৰৰ কঠোৰ পদক্ষেপ: আশ্ৰয়স্থলীত ড্ৰোণ উৰণ নিষিদ্ধ

NewzNow ডেস্ক | ২৭ নৱেম্বৰ ২০২৬, পুৱা ১০:৫৫



গুৱাহাটী: প্ৰতিবছৰে শৰৎকালত চাইবেৰিয়া আৰু উত্তৰ চীনৰ পৰা দক্ষিণ আফ্ৰিকালৈ যোৱাৰ পথত জিৰণি ল'বলৈ অসমলৈ অহা ১ লাখৰো অধিক পৰিভ্ৰমী আমুৰ ফেলকনৰ সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্য চৰকাৰে এক কঠোৰ পদক্ষেপ গ্ৰহণ কৰিছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6789

অসম

ডাম্পিং গ্ৰাউণ্ডলৈ পৰিণত ডিগবৈ লাচিত নগৰঃ গেলাপচা জাবৰৰ দুৰ্গন্ধত অতিষ্ঠ জনসাধাৰণ।

বিজয় সূত্ৰধৰ | ২৭ নৱেম্বৰ ২০২৬, পুৱা ১১:০১



ডিগবৈ চহৰৰ লাচিত নগৰ এতিয়া যেন এখন মুকলি ডাম্পিং গ্ৰাউণ্ড। লাচিত নগৰলৈ সোমোৱা পথছোৱাৰ কাষৰ খালী মাটিডোখৰত একাংশ লোকে দীৰ্ঘদিন ধৰি লুকাই-চুৰকৈ জাবৰ পেলাই অহাৰ ফলত সমগ্ৰ অঞ্চলটোত অসহনীয় পৰিবেশৰ সৃষ্টি হৈছে। জাবৰ পেলোৱা ঠাইডোখৰৰ কাষতে অৱস্থিত আৰ ডি জুনিয়ৰ কলেজ, কলেজখনৰ ছাত্ৰাবাস আৰু বহু কেইটা বাসগৃহ। প্ৰতিদিনে শ শ ছাত্ৰ-ছাত্ৰী, শিক্ষক- কৰ্মচাৰী আৰু স্থানীয় ৰাইজে গেলাপচা জাবৰৰ দুৰ্গন্ধৰ মাজেৰে নাকত ৰুমাল দি অহা-যোৱা কৰিবলগীয়া হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6758

উত্তৰ-পূৰ্বাঞ্চল

কটকটীয়া নিৰাপত্তাৰ মাজত ত্ৰিপুৰাৰ পৌৰ নিৰ্বাচনৰ ভোটগ্ৰহণ আৰম্ভ

NewzNow ডেস্ক | ২৭ নৱেম্বৰ ২০২৬, পুৱা ১০:৪৫



আগৰতলা, ২৭ নৱেম্বৰ: কটকটীয়া নিৰাপত্তাৰ মাজেৰে শুকুৰবাৰে পুৱাৰে পৰা আগৰতলা পৌৰ নিগমকে ধৰি ত্ৰিপুৰাৰ ১৬ খন পৌৰ সংস্থাৰ নিৰ্বাচনৰ ভোটগ্ৰহণ আৰম্ভ হৈছে।

ৰাজ্যখনৰ ১৬ খন পৌৰ সংস্থাৰ মুঠ ২৬৮ খন আসনৰ বাবে এই নিৰ্বাচন অনুষ্ঠিত হৈছে। নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা ৭৩৩ গৰাকী প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় কৰিব ৫.৫৬ লাখ ভোটাৰে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6784

অসম

পুনৰ প্ৰাণ পাই উঠিছে মাগুৰী-মটাপুং বিল: পক্ষীকুলৰ আগমনৰ লগতে বৃদ্ধি পাইছে পৰ্যটন

NewzNow ডেস্ক | ২৭ নৱেম্বৰ ২০২৬, পুৱা ১০:২২



তিনিচুকীয়া: ২০২০ চনৰ মে' মাহৰ ভয়ংকৰ বাঘজান তৈলখাদ বিস্ফোৰণৰ ছয় বছৰৰ পিছত এতিয়া লাহে লাহে প্ৰাণ পাই উঠিছে উজনি অসমৰ ঐতিহ্যমণ্ডিত মাগুৰী-মটাপুং বিল। শেহতীয়াকৈ ২০২৬ চনত প্ৰকাশিত দুখন পৃথক গৱেষণা পত্ৰত জলাশয়টোৰ প্ৰাকৃতিক পৰিৱেশ স্বাভাৱিক হৈ অহাৰ লগতে পৰিৱেশ পৰ্যটনে স্থানীয় ৰাইজলৈ আশাৰ বতৰা কঢ়িয়াই অনাৰ তথ্য পোহৰলৈ আহিছে।

শিলচৰ অসম বিশ্ববিদ্যালয়ৰ গৱেষক কৃত্তিকা গগৈ আৰু পাৰ্থংকৰ চৌধুৰীয়ে চলোৱা এক অধ্যয়নত বিলখন আৰু ইয়াৰ আশে-পাশে থকা ঘাঁহনি, ধাননি পথাৰ তথা বাঘজান অঞ্চলত ২৬ বিধ বিভিন্ন প্ৰজাতিৰ চৰাই নথিভুক্ত কৰা হৈছে। ২০২২ চনৰ জুন মাহ অৰ্থাৎ বাৰিষা কালত চলোৱা এই সমীক্ষাত ঘাইকৈ শৰালি, ডাউক, কণীবগলী, ফেঁচুলিকা, দহিকতৰা আৰু হেটুলুকাৰ দৰে স্থানীয় চৰাই প্ৰত্যক্ষ কৰা হৈছিল। শীতকালত সমগ্ৰ জলাশয়টোলৈ প্ৰায় ৫০০ প্ৰজাতিৰ দেশী-বিদেশী চৰাইৰ আগমন ঘটে বুলি গৱেষকসকলে উল্লেখ কৰে।

মাগুৰী-মটাপুং গাঁৱৰ ১৫০টা পৰিয়ালৰ ওপৰত চলোৱা আন এক সামাজিক-অৰ্থনৈতিক সমীক্ষাত দেখা গৈছে যে পৰিৱেশ পৰ্যটনে স্থানীয় অৰ্থনীতিত বিশেষ প্ৰভাৱ পেলাইছে। বাঘজান, বৰেকুৰী, পুৰণি মটাপুং আৰু নতুন মটাপুং গাঁৱত বসবাস কৰা মৰাণ, মটক, কোচ, আহোম আৰু চাহ জনগোষ্ঠীৰ যুৱক-যুৱতীসকলে নাও চলোৱা, হোমষ্টে', পথপ্ৰদৰ্শক আৰু সৰু সৰু খাদ্য বিপণিৰ জৰিয়তে জীৱিকা উপাৰ্জন কৰিবলৈ সক্ষম হৈছে।

অৱশ্যে বিলখন পুনৰ সুস্থিৰ দিশে অগ্ৰসৰ হ'লেও এতিয়াও কিছুমান প্ৰত্যাহ্বান আঁতৰা নাই বুলি গৱেষকসকলে সতৰ্ক কৰি দিছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6780

ক্ৰীড়া

আৰৱ সাগৰত ১,৩৩০ কিলোমিটাৰ সাঁতুৰি ইতিহাস ৰচিলে গুৱাহাটীৰ এলভিছ আলী হাজৰিকাই

NewzNow ডেস্ক | ২৭ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:৫৮



গুৱাহাটী, ২৭ নৱেম্বৰ: আৰৱ সাগৰত ১,৩৩০ কিলোমিটাৰ সাঁতুৰি ইতিহাস ৰচিলে গুৱাহাটীৰ এলভিছ আলী হাজৰিকাই। অসমৰ বিশিষ্ট সন্তৰণবিদ এলভিছ আলী হাজৰিকাই আন তিনিগৰাকী সতীৰ্থৰ সৈতে মিলি আৰৱ সাগৰত ১,৩৩০ কিলোমিটাৰ দৈর্ঘ্যৰ এক দুঃসাহসিক ৰিলে সাঁতোৰ সফলতাৰে সম্পূৰ্ণ কৰি ইতিহাস ৰচনা কৰিছে। 'মিছন অপৰাজয়' নামৰ এই অভিযানৰ জৰিয়তে দলটোৱে বিশ্ব অভিলেখ গঢ়িবলৈ সক্ষম হয়।

মুম্বাইৰ পৰা আৰম্ভ হোৱা এই ১৫দিনীয়া দীঘলীয়া অভিযানটো গোৱাৰ মাজেৰে পাৰ হৈ কৰ্ণাটক উপকূলত সমাপ্ত হয়। চাৰিজনীয়া দলটোৱে দিনে-নিশাই সাঁতুৰি এই লক্ষ্যত উপনীত হয়। ইয়াৰ লগে লগে এই কৃতিত্ব অৰ্জন কৰা প্ৰথমগৰাকী অসমীয়া হিচাপে পৰিগণিত হয় এলভিছ আলী হাজৰিকা।

অভিযানকালত দলটোৱে প্ৰচণ্ড ঢৌ, তীব্ৰ সোঁত, প্ৰতিকূল বতৰ, বিষাক্ত জেলিফিছৰ আক্ৰমণ, ছানবাৰ্ণ, শাৰীৰিক বিষ আৰু অনিদ্ৰাৰ দৰে বহু ভয়াৱহ প্ৰত্যাহ্বানৰ সম্মুখীন হ'বলগীয়া হৈছিল। সকলো প্ৰতিবন্ধকতা নেওচি কেৱল মানসিক দৃঢ়তা আৰু ইচ্ছাশক্তিৰ বলত তেওঁলোকে এই সফলতা অৰ্জন কৰে।

সন্তৰণবিদগৰাকীয়ে সমগ্ৰ যাত্ৰাটো এক কঠিন পৰীক্ষা আছিল বুলি উল্লেখ কৰি নিজৰ এই বিৰল কৃতিত্ব অসমবাসী আৰু সমগ্ৰ দেশবাসীৰ নামত উৎসৰ্গা কৰিছে। ৰাইজৰ মৰম আৰু আশীৰ্বাদৰ বাবেই এই সফলতা সম্ভৱ হোৱা বুলি তেওঁ প্ৰকাশ কৰে।

এই সাফল্যৰ পিছতে মন্ত্ৰী অশোক সিংঘাল, সাংসদ দিলীপ শইকীয়াৰ লগতে ৰাজ্যৰ বিভিন্ন দল-সংগঠন আৰু অনুৰাগীয়ে এলভিছ আলী হাজৰিকালৈ অভিনন্দন জ্ঞাপন কৰে।

ইফালে আৰৱ সাগৰত শেহতীয়াকৈ অসমৰ কেইবাগৰাকীও সাঁতোৰবিদে উল্লেখযোগ্য সফলতা অৰ্জন কৰিছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6913

অসম

গুৱাহাটীত আৰম্ভ তৃতীয় উত্তৰ-পূব পেৰা ক্রীড়া সমাৰোহ

NewzNow ডেস্ক | ২৭ নৱেম্বৰ ২০২৬, আবেলি ৬:১৮



গুৱাহাটী, ২৭ নৱেম্বৰ: পেৰালিম্পিক কমিটি অৱ ইণ্ডিয়াৰ তত্ত্বাৱধানত আৰু পেৰালিম্পিক এছ'চিয়েচন অৱ অসমৰ সহযোগত 'উদয়াচল'ৰ উদ্যোগত আজিৰে পৰা গুৱাহাটীত আৰম্ভ হৈছে তৃতীয় উত্তৰ-পূব পেৰা ক্রীড়া সমাৰোহ। মহানগৰীৰ তিনিটা স্থানত তিনিদিনীয়া কার্যসূচীৰে এই প্রতিযোগিতাৰ আয়োজন কৰা হৈছে। সৰুসজাইৰ অর্জুন ভোগেশ্বৰ বৰুৱা ক্রীড়া প্রকল্পৰ ইন্দিৰা গান্ধী এথলেটিকছ ষ্টেডিয়ামত সমাৰোহৰ উদ্বোধনী অনুষ্ঠান অনুষ্ঠিত হয়।

বন্তি প্রজ্বলনেৰে প্রতিযোগিতাখন আনুষ্ঠানিকভাৱে মুকলি কৰে পেৰালিম্পিক এছ'চিয়েচন অৱ অসমৰ মুখ্য পৃষ্ঠপোষক ৰিণিকি ভূঞা শর্মাই।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/6999

অসম

ডিব্রুগড়ত 'বন্ধু' শীর্ষক স্বৰচিত গীতৰ শুভ উন্মোচন

আইনুল আহমেদ | ২৭ নৱেম্বৰ ২০২৬, আবেলি ৬:৪৯



বিশিষ্ট কণ্ঠশিল্পী বিদ্যা সাগৰৰ কণ্ঠৰে সজোৱা গীতটো উন্মোচন কৰিলে ডিব্রুগড় বিশ্ববিদ্যালয়ৰ উপাচার্য জিতেন হাজৰিকাই।ডিব্রুগড়ত উন্মোচন কৰা হ'ল 'বন্ধু' শীর্ষক এটি স্বৰচিত গীত। অসমৰ বিশিষ্ট কণ্ঠশিল্পী বিদ্যা সাগৰৰ কণ্ঠৰে সজাই তোলা গীতটোৰ শুভ উন্মোচনী অনুষ্ঠান আজি ডিব্রুগড়ৰ হনুমানবক্স সূৰজমল কানৈ মহাবিদ্যালয়ৰ শ্রীমন্ত শংকৰদেৱ প্রেক্ষাগৃহত অনুষ্ঠিত হয়।

ৰাজনীতিবিদ তথা জ্যোতি চিত্রবনৰ উপাধ্যক্ষ সুনীল ৰাজকোঁৱৰৰ প্রযোজনা আৰু পৰিচালনাত নির্মিত গীতটোৰ শুভ উন্মোচন কৰে ডিব্রুগড় বিশ্ববিদ্যালয়ৰ উপাচার্য জিতেন হাজৰিকাই।

অনুষ্ঠানত অসম চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ ডা° সঞ্জীৱ হাজৰিকা, সূৰজমল কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান...

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/6968

এই সংখ্যাত

১ অৰুণোদয়ৰ প্রকৃত ব্যয় কিমান? ১৩,১২০ কোটি টকাৰ আঁচনি আৰু ধাৰৰ হিচাপ
১ সমষ্টি পুনর্নির্ধাৰণ সংলগ্ন মহিলা সংৰক্ষণৰ নতুন বিধেয়কত কেন্দ্রীয় কেবিনেটৰ অনুমোদন
১ সমষ্টি পুনর্নির্ধাৰণত পাছত অসমৰ লোকসভাৰ আসন বৃদ্ধি পাব ২১ খনলৈ ! দেশৰ অন্য কোনো ৰাজ্যৰ কিমান হ'ব এখন ?
১ সমষ্টি পুনর্নির্ধাৰণক সমর্থন শাৰদ পাৱাৰৰ এনচিপিৰ, বিৰোধী মিত্রজোঁটত মতভেদ
১ পাকিস্তানলৈ সেনাৰ গতিবিধিৰ তথ্য প্রেৰণৰ অভিযোগত পঞ্জাৱত গ্রেপ্তাৰ বলজিৎ

আৰু ৪৬টা খবৰ ভিতৰৰ পাততে

NewzNow ই-কাকত: প্রতিদিনে সন্ধিয়া newznow.in/epaper-ত। প্রতিটো খবৰৰ সম্পূর্ণ বিৱৰণ, ভিডিঅ' আৰু আপডেট newznow.in-ত পঢ়ক।
খবৰ শুনক: newznow.in/listen